# সপ্তম শ্ৰেণী | বিজ্ঞান

Under CSR Support by Ipca Foundation
missiongyan LET'S LEARN TOGETHER

## অধ্যায় - ২ | জীৱৰ শ্বাস-প্ৰশ্বাস

**QUIZ-01**

**1. কোষত গ্লুক’জ জাৰণৰসহায়ত ভংগ হৈ শক্তি মুক্তি হোৱা প্ৰক্ৰিয়াক কি বুলে?**
A. উশাহ-নিশাহ
B. কোষীয় শ্বাস-প্ৰশ্বাস
C. পৰিবহন
D. প্ৰজনন
**Answer: B**
**Explanation:** গ্লুক’জ জাৰণৰ সহায়ত কোষত ভংগ হৈ শক্তি মুক্তি হয়, তাক কোষীয় শ্বাস-প্ৰশ্বাস বুলে।

**2.সবাত(Aerobic) শ্বাস-প্ৰশ্বাসত গ্লুক’জে কি কি উৎপন্ন কৰে?**
A. কাৰ্বন-ডাই-অক্সাইড, পানী আৰু শক্তি
B. ইথানল, পানী আৰু শক্তি
C. লেকটিক এচিড আৰু শক্তি
D. কেৱল পানী
**Answer: A**
**Explanation:**সবাত শ্বাস-প্ৰশ্বাসত গ্লুক’জ ভংগ হৈ কাৰ্বন-ডাই-অক্সাইড, পানী আৰু অধিক পৰিমাণৰ শক্তি উৎপন্ন হয়।

**3. অবাত (Anaerobic) শ্বাস-প্ৰশ্বাসৰ অন্যতম ফলাফল হ’ল—**
A. লেকটিক এচিড
B. পানী
C. অক্সিজেন
D. উৎসেচক
**Answer: A**
**Explanation:** অক্সিজেনৰ অভাৱত অবাত শ্বাস-প্ৰশ্বাসত গ্লুক’জ আংশিক ভংগ হৈ লেকটিক এচিড আৰু শক্তি উৎপন্ন হয়।

**4. মানুহৰ সাধাৰণ অৱস্থাত প্ৰতি মিনিটত প্ৰায় কিমানবাৰ উশাহ-নিশাহ হয়?**
A. ৯–১২ বাৰ
B. ১৫–১৮ বাৰ
C. ২১–২৪ বাৰ
D. ৩০–৩৩ বাৰ
**Answer: B**
**Explanation:** প্ৰাপ্তবয়স্ক মানুহৰ স্বাভাৱিক অৱস্থাত প্ৰতি মিনিটত প্ৰায় ১৫–১৮ বাৰ উশাহ-নিশাহ হয়।

**5. উশাহত প্ৰৱেশ কৰা বায়ুত প্ৰায় কিমান শতাংশ অক্সিজেন থাকে?**
A. ৪%
B. ১৬.৪%
C. ২১%
D. ০.০৪%
**Answer: C**
**Explanation:** উশাহত প্ৰৱেশ কৰা বায়ুত প্ৰায় ২১% অক্সিজেন থাকে, কিন্তু নিশাহত প্ৰায় ১৬.৪% অক্সিজেন থাকে।

**6. দীৰ্ঘ সময়ৰ দৌৰ বা ব্যায়ামৰ ফলত পেশীৰ কোষত কি জমা হয়?**
A. পানী
B. ইথানল
C. লেকটিক এচিড
D. কাৰ্বন-ডাই-অক্সাইড
**Answer: C**
**Explanation:** ব্যায়ামৰ সময়ত অক্সিজেনৰ অভাৱত পেশী কোষত অবাত শ্বাস-প্ৰশ্বাস হয় আৰু লেকটিক এচিড জমা হয়।

**7. মাছত শ্বাস-প্ৰশ্বাসৰ অঙ্গ কোনটো?**
A. নাক
B. হাওঁফাঁও
C. ৰগ
D. ট্ৰেকিয়া
**Answer: C**
**Explanation:** মাছত পানীত থকা দ্ৰৱীভূত অক্সিজেন গ্ৰহণ কৰিবলৈ ৰগ থাকে।

**8. গছৰ পাতত গেছ বিনিময়ৰ বাবে থকা ক্ষুদ্ৰ ৰন্ধ্ৰক কি বুলে ?**
A. পত্ৰৰন্ধ্ৰ (Stomata)
B. হাওঁফাঁও
C. স্পাইৰিকল
D. ট্ৰেকিয়া
**Answer: A**
**Explanation:** গছৰ পাতত গেছ বিনিময়ৰ বাবে থকা ক্ষুদ্ৰ পত্ৰৰন্ধ্ৰক পত্ৰপত্ৰৰন্ধ্ৰ (Stomata) বুলে।

**9. পইতাচোঁৰাৰ দৰে পতংগত শ্বাস-প্ৰশ্বাস কোন প্ৰক্ৰিয়াৰ দ্বাৰা হয়?**
A. হাওঁফাঁও
B. ট্ৰেকিয়াল ব্যৱস্থা
C. ৰগ
D. চামড়া
**Answer: B**
**Explanation:** পতংগত থকা স্পাইৰিকল আৰু ট্ৰেকিয়াল নলী দ্বাৰা শ্বাস-প্ৰশ্বাস হয়।

**10. উশাহ-নিশাহৰ সময়ত মধ্যচ্ছদাৰ কি পৰিৱৰ্তন হয়?**
A. ওপৰলৈ উঠে
B. গৰম হয়
C. তললৈ নমে
D. নিৰ্বিকাৰ হৈ থাকে
**Answer: C**
**Explanation:** উশাহৰ সময়ত মধ্যচ্ছদা তললৈ নমে, ফলত গহ্বৰ বিস্তাৰ হয় আৰু হাওঁফাঁওত বায়ু প্ৰৱেশ কৰে।

শিক্ষা জ্ঞান
100% FREE! Video COURSES | QUIZ | PDF | TEST SERIES
Download Mission Gyan App